No. of Printed Pages : 4 **FAS-01**

**BDP / BCA / BTS**

**Term-End Examination**

**February, 2021**

## FAS-01 : FOUNDATION COURSE IN ASSAMESE

*Time : 2 hours* *Maximum Marks : 50*

---

*প্ৰশ্নবোৰ ভালদৰে পঢ়ি উত্তৰ লিখক ।*

## ক শাখা

**1.** তলৰ প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰত শুদ্ধ চিন (√) দিয়ক : *5×1=5*

(a) বৈষ্ণৱ সাহিত্যৰ সৃষ্টিৰ দুৱাৰ কোনে মুকলি কৰে ?

(i) মাধৱ কন্দলিয়ে

(ii) শঙ্কৰদেৱে

(iii) মাধৱদেৱে

(b) চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজপ্ৰসাদ কিহেৰে নিৰ্মিত আছিল ?

(i) ইটাৰে

(ii) পাথৰেৰে

(iii) কাঠেৰে

(c) বৌদ্ধ শিল্পকলাৰ আকৰ্ষনীয় বৈশিস্ট কি আছিল ?

(i) শিলৰ পাহাৰ কাটি গুহা নিৰ্মাণ কৰা

(ii) প্ৰস্তৰ মুৰ্তি নিৰ্মাণ কৰা

(iii) স্তম্ভ নিৰ্মাণ কৰা

(d) ভাৰতৰ পূৰ্ণ স্বাধীনতা কংগ্ৰেছৰ কোন অধিবেশনত দাবী কৰা হৈছিল ?

(i) ১৯০৭ চনত চুৰাট অধিবেশনত

(ii) ১৯৪২ চনৰ বোম্বে অধিবেশনত

(iii) ১৯২৯ চনৰ লাহোৰ অধিবেশনত

(e) কোন ধৰণৰ খাদ্যই আমাৰ শৰীৰক নানা ধৰণৰ ৰাসায়নিক প্ৰতিক্ৰিয়াৰপৰা বচাই ৰখাত সহায় কৰে ?

(i) মাছ মাংসই

(ii) মদ, ধপাত আদিয়ে

(iii) সবুজ শাক-পাচলিয়ে

**2.** সম্পূৰ্ণ বাক্যত উত্তৰ লিখক : *5×1=5*

(a) আধুনিক ভাৰতীয় আৰ্য-ভাষাসমূহৰ উৎপত্তি ক'ৰ পৰা হৈছে ?

(b) কম্পিউটৰ ইনপুট আৰু আউটপুটৰ মাজত সংযোগকাৰী বস্তুটো কি ?

(c) কলকাতাৰ হাওৰা দলং কেইটা খুঁটাৰ ওপৰত আছে ?

(d) ভাৰতত স্বাধীনতা লাভৰ কাৰণে সুভাষ চন্দ্ৰ বসুৰ যুৱ শক্তিলৈ কি আহ্বান আছিল ?

(e) বহুখিনি আখৰ জোঁটনিৰ স্থিৰতা কিহৰ ওপৰত নিৰ্ভৰ কৰে ?

**3.** উষাই সপোনত কোন ৰাজকুমাৰক দেখাৰ পিছত বিয়াকুল হৈ পৰিছিল ? তেওঁৰ সমস্যা কিদৰে সমাধান হ'ল ? *5*

**অথবা**

প্ৰধানমন্ত্ৰী হিচাপে ইন্দিৰা গান্ধীৰ ভুমিকাৰ বিষয়ে সংক্ষেপে লিখক ।

**4.** যিকোনো ***পাঁচটাৰ*** সংক্ষেপে উত্তৰ লিখক : *5×2=10*

(a) 'অসম' শব্দৰ উৎপত্তি কেনেকৈ হ'ল ?

(b) অসমীয়া আধুনিক সাহিত্যত 'জোনাকী' কাকতৰ ভুমিকা কি আছিল ?

(c) চাৰ্বাক দৰ্শনৰ কি লক্ষ্য আছিল ?

(d) নাগৰিকৰ অধিকাৰসমূহৰ ঘাইকৈ কেইটা ভাগত ভগাব পাৰি ?

(e) অসমীয়া ভাষাৰ আধুনিক যুগৰ সূচনা কেনেকৈ হ'ল ?

(f) আহোম স্বৰ্গদেউ সকলে অসমৰ ভাস্কৰ্য-স্থাপত্যৰ ক্ষেত্ৰত কেনে ধৰণৰ অৱদান আগবঢ়াইছিল ।

(g) ভাৰতৰ কোনখন ৰাজ্যত কুৰ্গী জনগোষ্ঠী আছে ? তেওঁলোকৰ বৈশিষ্ট্য কি ?

(h) ভাৰতলৈ অহা 'ক্ৰীপছ মিছন' কিয় ব্যৰ্থ হৈছিল ?

(i) জমাবন্দী কি ?

## খ শাখা

**5.** বিশেষণ আৰু ক্ৰিয়া-বিশেষণৰ মাজত প্ৰভেদ কি ? *5*

**অথবা**

নামক্ৰিয়া কি ? উদাহৰণ সহ বুজাই লিখক ।

**6.** যিকোনো ***পাঁচটা*** খণ্ড-বাক্যৰে অৰ্থপূৰ্ণ বাক্য-ৰচনা কৰক : *5×1=5*

এলা-পেচা, ওপৰ চকুৰা, কোটিকলীয়া, খাই পাত ফলা, থাপি থুপি থ, লাজকুৰীয়া, ৰাং-ঢালী, চকুত পৰা

**7.** স্বচ্ছতা পালন কৰিবলৈ আমি কি কি কৰা উচিত ? *5*

**8.** যিকোনো ***এটা*** বিষয়ত এখন ৰচনা লিখক : *10*

(a) ব্ৰহ্মপুত্ৰ নদ

(b) অসমৰ জাতীয় উৎসৱ

(c) বন-সংৰক্ষণৰ প্ৰয়োজনীয়তা